**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-12-2025
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

০০০০

১। পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিৰ পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত। আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিঙৰ আইন শৃংখলা পৰিস্থিতিৰ তত্বাৱধান।

২। ৰাজ্যৰ বিভিন্ন বিভাগৰ কাৰিকৰী আৰু অ-কাৰিকৰী পদত বাছনি লাভ কৰা ২১৫ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান।

৩। অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আজিৰ পৰা ৬ জানুৱাৰীলৈ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অসম গ্ৰন্থমেলা।

৪। কাইলৈ পবিত্ৰ বৰদিন। বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো খ্ৰীষ্টধৰ্মী লোকসকলৰ আজি মাজনিশা সমূহীয়া প্ৰাৰ্থনাৰ আয়োজন।

**আৰু**

৫। অস্মিতা পূব মণ্ডল ছাব জুনিয়ৰ হকী লীগত ত্ৰিপুৰাৰ বিৰুদ্ধে অসমৰ ২২-০ গ'লৰ ব্যৱধানত জয়লাভ।

০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিৰ পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত আছে। আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিঙে কাৰ্বি আংলঙত বাহৰ পাতি আইন শৃংখলা পৰিস্থিতিৰ ওপৰত চোকা দৃষ্টি ৰাখিছে। বিগত দুদিনত অঞ্চলটোত সৃষ্টি হোৱা পৰিস্থিতি সন্দৰ্ভত শ্ৰীসিঙে কয়, যে এনেধৰণৰ অপ্ৰীতিকৰ ঘটনাৰ পৰা কোনো সমস্যাৰ সমাধান নোলায়। তেওঁ জিলাখনৰ যুৱ প্ৰজন্মৰ লগতে অন্য প্ৰতিবাদকাৰীসকলক বিপথে পৰিচালিত নকৰিবলৈ অভিভাৱক সমাজৰ প্ৰতি আহ্বান জনায়।

**বাইট (হৰমিত সিং)**

পশ্চিম কাৰ্বি আংলং জিলাৰ আয়ুক্ত সাৰংগপাণি শৰ্মাই হোজাই আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ সীমামূৰীয়া ফৰেষ্ট গে'ট অঞ্চল পৰিদৰ্শন কৰে। আয়ুক্তগৰাকীয়ে হোজাইৰ অতিৰিক্ত আৰক্ষী অধীক্ষক আৰু লামডিং সমজিলাৰ আৰক্ষীৰ সৈতে অঞ্চলটোৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত বুজ লয়। পৰিদৰ্শনৰ অন্তত জিলা আয়ুক্তগৰাকীয়ে বৰ্তমান পৰিস্থিতি নিয়ন্ত্ৰণত আছে বুলি প্ৰকাশ কৰে।

**বাইট (সাৰংগপাণি শৰ্মা)**

খেৰণিৰ হিংসাত্মক ঘটনাক লৈ উদ্বিগ্নতা প্ৰকাশ কৰি সদৌ অসম ছাত্ৰ সন্থাই মুখ্যমন্ত্ৰীলৈ এখন জৰুৰী দাবী পত্ৰ প্ৰেৰণ কৰা বুলি ছাত্ৰ সংগঠনটোৰ সভাপতি উৎপল শৰ্মাই প্ৰকাশ কৰিছে। সভাপতিগৰাকীয়ে কয়, যে পশ্চিম কাৰ্বি আংলং জিলাত শান্তি শৃংখলা ঘূৰাই আনিবলৈ তাত থকা কাৰ্বি জনগোষ্ঠীকে ধৰি খিলঞ্জীয়া

লোকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ এই জৰুৰী পত্ৰযোগে দাবী জনায়। একেদৰে নিখিল বড়ো ছাত্ৰ সন্থাই কাৰ্বি আংলঙৰ আইন শৃংখলাৰ পৰিস্থিতিক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে।

ইপিনে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই পৰিস্থিতিৰ ওপৰত চোকা দৃষ্টি ৰাখি আছে বুলি উল্লেখ কৰাৰ লগতে কাৰ্বিৰ এটা সদস্যগোটে উচ্ছেদৰ দাবীত কৰা আমৰণ অনশন সন্দৰ্ভত বিষয়টো উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন হৈ থকা বাবে চৰকাৰে কোনো ব্যৱস্থা ল'ব পৰা নাই বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি খেৰণি ফেংলাপিত আমৰণ অনশন কৰি থকা কাৰ্বি সম্প্ৰদায়ৰ সদস্যসকলক সাক্ষাৎ কৰাৰ পাছত প্ৰতিবাদকাৰীসকলে অনশন কাৰ্যসূচী প্ৰত্যাহাৰ কৰিবলৈ আৰু ত্ৰিপাক্ষিক আলোচনাৰ বাবে সন্মতি প্ৰকাশ কৰে। ২৬ ডিচেম্বৰত প্ৰতিবাদকাৰী, কাৰ্বি স্বায়ত্তশাসিত পৰিষদ আৰু ৰাজ্য চৰকাৰৰ মাজত ত্ৰিপাক্ষিক আলোচনা হোৱাৰ কথা আছে।

০০০

ৰাজ্যৰ বিভিন্ন বিভাগৰ কাৰিকৰী আৰু অ-কাৰিকৰী পদত বাছনি লাভ কৰা ২১৫ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় সন্মিলন কেন্দ্ৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে এই নিযুক্তি পত্ৰ প্ৰদান কৰে। চিকিৎসা, শিক্ষা আৰু গৱেষণা সঞ্চালকালয়ৰ কাৰিকৰী পদত ৮৮ গৰাকী আৰু অ-কাৰিকৰী পদত ২৮ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ কাৰিকৰী পদত ৫৫ গৰাকী আৰু স্বাস্থ্য সেৱা (পৰিয়াল কল্যাণ) সঞ্চালকালয়ৰ কাৰিকৰী পদত ৪৩ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ দিয়া হয়। নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে মন্ত্ৰী অশোক সিংহল, প্ৰশান্ত ফুকন, ৰূপেশ গোৱালা উপস্থিত থাকে।

ইপিনে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অধীনৰ তৃতীয় বৰ্গৰ বাছনিপ্ৰাপ্ত প্ৰাৰ্থীৰ নিযুক্তিপত্ৰ অহা ১০ জানুৱাৰীত বিতৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে।

০০০

ৰাজ্যত আত্মসহায়ক গোটৰ মুঠ ৪০ লাখ সদস্যাৰ ভিতৰত ৩২ লাখ মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ বাবে বাচনি কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰিছে। নাহৰকটীয়া বিধানসভা সমষ্টিত মহিলা উদ্যমিতা আঁচনিৰ অধীনত মুঠ ২০ হাজাৰ ১১৫ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে পহিলা জানুৱাৰীত ৰাজ্যৰ মহিলাসকলে নতুন উপহাৰ লাভ কৰিব। অনুষ্ঠানত স্থানীয় বিধায়ক তৰংগ গগৈ, কেবিনেট মন্ত্ৰী যোগেন মহন, প্ৰশান্ত ফুকনকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত আজিৰ পৰা ৬ জানুৱাৰীলৈ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত ৰাজ্য চৰকাৰে ২০২৫ বৰ্ষটো কিতাপৰ বৰ্ষ হিচাপে পালন কৰি গ্ৰন্থ অধ্যয়নক জনপ্ৰিয় কৰাৰ বাবে কেইবাটাও কাৰ্যসূচী হাতত লোৱাৰ কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে **যুৱ লেখক সন্মান ২০২৫** লাভ কৰা ৰাজ্যৰ ৪০ বছৰ অনুৰ্দ্ধ ৮১৮ গৰাকী যুৱ লেখক-লেখিকাক সম্বৰ্ধনা জনায়। সৃষ্টিশীল

সাহিত্য চৰ্চাৰ বাবে লেখক-লেখিকাসকলক অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে তেওঁলোকক ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে নতুন লেখক লেখিকাসকলক এই সন্মান প্ৰাপ্তিৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

**বাইট ঃ মুখ্যমন্ত্ৰী**

অনুষ্ঠানটোত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে সন্মানীয় অতিথি হিচাপে মুম্বাইৰ প্ৰসিদ্ধ লেখক আমিশ ত্ৰিপাঠী আৰু বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামী উপস্থিত থাকে। গ্ৰন্থমেলাৰ প্ৰাংগণতে জন্ম শতবৰ্ষত ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি শীৰ্ষক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ড° ভূপেন হাজৰিকাৰ গীতত সমকালীনতা বিষয়ত আয়োজিত অনুষ্ঠানটো বিশিষ্ট লেখক সুমন্ত চলিহাই সঞ্চালনা কৰে।

ইপিনে বিশিষ্ট সাহিত্যিক, ঔপন্যাসিক, গল্পকাৰ ড° দীপক কুমাৰ বৰকাকতিলৈ ২০২৫ বৰ্ষৰ অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা আগবঢ়োৱা হৈছে।

০০০

কাইলৈ পবিত্ৰ বৰদিন। বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো খ্ৰীষ্টধৰ্মী লোকসকলে আজি মাজনিশাৰে পৰা পৰিত্ৰ বৰদিন উপলক্ষে সমূহীয়া প্ৰাৰ্থনা কৰিব। বিভিন্ন প্ৰান্তৰ গীৰ্জাসমূহ ইযাৰ বাবে সজাই-পৰাই তোলা হৈছে। আজি নিশা গুৱাহাটী মহানগৰীৰ পাণবজাৰৰ ব্যাপ্তিষ্ট চাৰ্চ, পাণবজাৰৰ ডনবস্ক', খ্ৰীষ্টানবস্তি, সোণাইঘুলিকে ধৰি বিভিন্ন স্থানৰ গীৰ্জাসমূহ কেৰলৰ ধবনিৰে মুখৰ হৈ উঠিব। প্ৰভূ যীশুৰ প্ৰাৰ্থনাৰ বাবে আজি সন্ধিয়াৰে পৰা গীৰ্জাসমূহত অগনন লোক সমবেত হৈছে। আলোকসজ্জা, খ্ৰীষ্টমাছ ট্ৰী, ৰং-বিৰঙী ফুল, তৰা আদিৰে গীৰ্জাৰ লগতে খ্ৰীষ্টধৰ্মী লোকসকলৰ বাসগৃহসমূহো সজাই তোলা হৈছে।

ৰাজ্যৰ প্ৰথম পৰিষ্কাৰ আৰু স্বচ্ছ গাঁও হিচাপে পৰিচিত গোৱালপাৰা জিলাৰ ৰাংচাপাৰা গাঁওখনক বিভিন্ন আলোকসজ্জাৰে সজাই তোলাৰ লগতে খ্ৰীষ্টধৰ্মী লোকসকলে ঘৰে ঘৰে বিভিন্ন খাদ্য প্ৰস্তুত কৰিছে। গোৱালপাৰা নগৰৰ বাপুজী নগৰত থকা একমাত্ৰ গীৰ্জাঘৰতো বৰদিনৰ আয়োজন চলিছে। তদুপৰি অসম মেঘালয় সীমান্তৰ খ্ৰীষ্টধৰ্মী গাৰো সম্প্ৰদায়ৰ লোকসকলেও বৰদিন পালনৰ বাবে সাজু হৈছে।

বিশ্বনাথ জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে গহপুৰ সম-জিলাতো খ্ৰীষ্টান ধৰ্মালৱলম্বী লোকসকলে বৰদিন উদযাপনৰ বাবে ব্যস্ত হৈ পৰিছে। উৎসৱৰ বাবে খ্ৰীষ্টমাষ্ট ট্ৰী, বেটাৰী চালিত চাণ্টা ক্লজ, ৰং-বিৰঙী আলোকসজ্জাৰে বিপণীসমূহ ভৰি পৰিছে। গহপুৰ অঞ্চলৰ খ্ৰীষ্ট ধৰ্মাৱলম্বী লোকসকলৰ লগতে এই বিপণীসমূহত অৰুণাচল প্ৰদেশৰ পৰা বহু গ্ৰাহকৰ আগমন ঘটা পৰিলক্ষিত হৈছে।

বৰদিন উপলক্ষে উত্তৰ পূবৰ অনান্য ৰাজ্যকেইখন বিশেষকৈ চুবুৰীয়া ৰাজ্য মেঘালয়ৰ ৰাজধানী শ্বিলং নগৰী আটক ধুনীয়াকৈ সজাই তোলা হৈছে। প্ৰায় এসপ্তাহ পূৰ্বৰে পৰা নগৰখনত বৰদিনক লৈ ব্যস্ততা পৰিলক্ষিত হৈছে। আজি সন্ধিয়াৰে পৰা বৰদিনৰ প্ৰাৰ্থনাৰ বাবে শ্বিলঙৰ গীৰ্জাঘৰলৈ বহু লোকৰ আগমন হৈছে। বৰদিনৰ আনন্দ উপভোগৰ বাবে শ্বিলঙলৈ দেশ-বিদেশৰ বহু পৰ্যটকৰ আগমন ঘটাও দেখা গৈছে। কোহিমা, আইজল, তুৰাকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন স্থানৰ পৰা বৰদিনৰ প্ৰাক সন্ধিয়া আনন্দ-উল্লাস সৃষ্টি হোৱাৰ বাতৰি আহিছে।

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই পবিত্ৰ বৰদিন উপলক্ষে ৰাজ্যৰ সকলো জনসাধাৰণ বিশেষ খ্ৰীষ্টধৰ্মী লোকসকলক ওলগ জনাইছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয় যে যীশুখ্ৰীষ্টৰ জন্মদিন

উপলক্ষে আয়োজিত এই উৎসৱে আমাক দয়া, কৰুণা আৰু নিস্বাৰ্থ সেৱাৰ অমূল্য - প্ৰমূল্যৰাজিৰ বিষয়ে সোঁৱৰাই দিয়ে। তেওঁ কয় যে এই উৎসৱে যীশুখ্ৰীষ্টৰ আদৰ্শৰাজি অনুসৰণ কৰি মৰম, ভালপোৱা, সম্প্ৰীতি আৰু পাৰস্পৰিক সন্মানেৰে ভৰা এখন সমাজ গঢ়াৰ বাবে সমুহীয়াভাৱে কাম কৰিবলৈ অনুপ্ৰেৰণা যোগায়। ৰাজ্যপালগৰাকীয়ে লগতে সদিচ্ছা আৰু সম্প্ৰীতিৰ এনাজৰি সুদৃঢ় কৰি এই উৎসৱ পালন কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত প্ৰচাৰিত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা মিছনৰ বিভিন্ন কাৰ্যসূচী আৰু গ্ৰাম্য জীৱনত ইয়াৰ প্ৰভাৱ সন্দৰ্ভত মিছনৰ জিলা প্ৰকল্প প্ৰবন্ধক বিৰ্জ্যা নাৰ্জাৰীৰ সৈতে হোৱা সাক্ষাৎকাৰটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ কোকৰাঝাৰ জিলাৰ সংবাদদাতা প্ৰীতম ব্ৰহ্ম চৌধুৰীয়ে।

০০০

গুৱাহাটীৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান সূৰ্যৰ উদ্যোগত আৰু বিদ্যুৎ চক্ৰৱৰ্তী ক্ৰিয়েটিভ ট্ৰাষ্টৰ সহযোগত আজি বিদ্যুৎ চক্ৰৱৰ্তী উৎকৰ্ষ বঁটা আৰু শ্বেৰ চৌধুৰী উৎকৰ্ষ বঁটা, ২০২৫ প্ৰদান কৰা হয়। বিয়লি চাৰে পাঁচ বজাত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত তৰুণ চলচ্চিত্ৰ নিৰ্মাতা শশাংক সমীৰক এই বঁটা প্ৰদান কৰা হয়। একেদৰে নৱাগত চলচ্চিত্ৰ নিৰ্মাতা শিল্পীকা বৰদলৈক শ্বেৰ চৌধুৰী উৎকৰ্ষ বঁটা আগবঢ়োৱা হয়। এই অনুষ্ঠানত বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়া আৰু অভিনেতা, পৰিচালক সাত্যকী ডিকম ভূঞা উপস্থিত থাকে। বঁটা প্ৰদানৰ পাছত শিল্পীকা বৰদলৈ পৰিচালিত তথ্যচিত্ৰ 'মাও দা স্পিৰিট ড্ৰীম্‌ছ অব্ চেৰাও' প্ৰদৰ্শন কৰা হয়। ইয়াৰ লগতে 'দা গাৰ্ল হু ৰোড এ বাইচাইকেল' শীৰ্ষক এখন চুটি নাটো পৰিৱেশন কৰা হয়।

০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়াণৰ পবিত্ৰ তীৰ্থক্ষেত্ৰ কোচবিহাৰৰ মধুপুৰ সত্ৰত আজিৰ পৰা মধুপুৰ মহোৎসৱ অনুষ্ঠিত হৈছে। আজি বিয়ললি সাহিত্য চৰ্চা কেন্দ্ৰ অসমৰ উদ্যোগত আৰু মধুপুৰ উৎসৱ উদযাপন সমিতিৰ সহযোগত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰে এই মহোৎসৱ কাৰ্যসূচী আৰম্ভ হয়। শ্ৰীমদ্ভাগৱতত ভক্তি আৰু মহাৰাজ নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত অসমীয়া ভক্তি সাহিত্য বিষয়ক আলোচনা চক্ৰখন বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া ড০ বাবুল চন্দ্ৰ দাসে উদ্বোধন কৰে। অসম চৰকাৰৰ সাহিত্যিক বঁটা প্ৰাপক কৰুণাকান্ত ৰায়ে সঞ্চালনা কৰা এই আলোচনাচক্ৰত বিষ্ণুপ্ৰিয়া সাহিত্য সভাৰ সভাপতি লক্ষ্মীকান্ত সিংহই আলোচক হিচাপে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে মধুপুৰ সত্ৰত যোৱা ৩০ বছৰ ধৰি এই মহোৎসৱ পালন কৰি অহা হৈছে।

০০০

উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো ৰেডিঅ' শ্ৰোতা সংঘ মাজুলীৰ অনাতাঁৰ মৰম পৰিয়ালে আগবঢ়োৱা **শ্ৰোতা প্ৰেৰণা বঁটা ২০২৫** কাইলৈ আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰক প্ৰদান কৰা হ'ব। আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠানৰ জৰিয়তে শ্ৰোতাসকলৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে শ্ৰীবৰঠাকুৰলৈ এই বঁটা আগবঢ়োৱা হৈছে। ২০১০ চনৰ ২৫ ডিচেম্বৰত জিলাখনৰ

মুদৈবিলত প্ৰতিষ্ঠা লাভ কৰা এই সংঘই মূলতঃ ৰেডিঅ' প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাম কৰি আহিছে। সংঘই ইয়াৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ৰেডিঅ'ৰ সৈতে জড়িত একোগৰাকী ব্যক্তিক শ্ৰোতা প্ৰেৰণা বঁটা আৰু এগৰাকী শ্ৰোতাক বছৰটোৰ শ্ৰেষ্ঠ অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা প্ৰদান কৰে। এই বছৰৰ বাবে অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা দুগৰাকী শ্ৰোতা ধেমাজিৰ চিচি কেৰেকনি মাজগাঁৱৰ মহেশ্বৰ চুতিয়া আৰু তিনিচুকীয়া কাকপথাৰ ১ নম্বৰ তেজী গাঁৱৰ দীপক মৰাণলৈ আগবঢ়োৱা হৈছে। কাইলৈ মাজুলীৰ শ্ৰীশ্ৰী এলেংগি টকৌবাৰী সত্ৰত হ'বলগীয়া অনাতাঁৰ মৰম পৰিয়ালৰ যোড়শ প্ৰতিষ্ঠা দিৱসত এই বঁটা প্ৰদান কৰা হ'ব। বঁটা এটাকৈ ৰেডিঅ' চেট, স্মাৰক, জাপি, সম্বৰ্দ্ধনা পত্ৰ, অংগবস্ত্ৰ, কিতাপৰ টোপোলা আৰু একোটাকৈ গছপুলি প্ৰদান কৰা হ'ব।

০০০

চিৰাং জিলাৰ আই নৈৰ হাগ্ৰামা দলঙৰ কাষত ২৭ ডিচেম্বৰৰ পৰা ২০২৬ চনৰ ৭ জানুৱাৰীলৈ **আই নৈ নতুন বৰ্ষ উৎসৱৰ** আয়োজন কৰা হৈছে। আই নৈৰ নৱবৰ্ষ উদযাপন সমিতিৰ সভাপতি বৈজিং দৈমাৰী আৰু সমন্বয়ক অজয় মুছাহাৰীৰ লগতে আয়োজক সমিতিয়ে আজি এখন সংবাদমেল সম্বোধন কৰি উৎসৱৰ প্ৰস্তুতি সন্দৰ্ভত প্ৰকাশ কৰে। আয়োজসকলে জনোৱা অনুসৰি উৎসৱৰ প্ৰথম দিনা পুৱা চাৰে ৫ বজাত নিলিবাৰীৰ পৰা হাগ্ৰামা দলঙলৈ ২৫ কিলোমিটাৰ দূৰত্বৰ মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সেই দিনা পুৱা ৯ বজাত বিচিটিৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্মই উৎসৱৰ মূল তোৰণ মুকলি কৰিব। আয়োজকসকলে জনোৱা অনুসৰি এই উৎসৱত ৰাইজৰ মনোৰঞ্জনৰ বাবে ঘোঁৰা আৰু হাতী ছাফাৰীৰ লগতে অন্যান্য জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ, বিভিন্ন প্ৰতিযোগিতাৰ উপৰি সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে।

০০০

অসমে গুৱাহাটীৰ ভেটাপাৰাৰ মৌলানা মহম্মদ তয়বুল্লা হকী ষ্টেডিয়ামত অনুষ্ঠিত অশ্মিতা পূৱ মণ্ডল ছাব জুনিয়ৰ হকী লীগত প্ৰথম সফলতা অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। ক্ৰমাগত প্ৰথম দুখন খেলত ওড়িশা আৰু মিজোৰামৰ বিৰুদ্ধে পৰাজয় বৰণ কৰা অসমৰ ছোৱালী দলে আজি তৃতীয় তথা অন্তিমখন লীগ মেচত ত্ৰিপুৰাক ২২-০ গলত পৰাস্ত কৰে। এই জয়ৰ সুবাদত অসমে প্ৰতিদ্বন্দিতাৰ পইণ্ট তালিকাত তৃতীয় স্থানত থাকে।

আজি হোৱা আন এখন খেলত চাব জুনিয়ৰ শিতানৰ ৰাষ্ট্ৰীয় চেম্পিয়ন ওড়িশাই - মিজোৰামক ৫-১ গলৰ ব্যৱধানত পৰাজিত কৰি গ্ৰুপ পৰ্যায়ৰ শীৰ্ষ স্থানত থাকে আৰু লীগ পৰ্যায়ত জয়ৰ ধাৰা অক্ষুন্ন থাকে। মিজোৰাম পইণ্ট তালিকাৰ দ্বিতীয় স্থানত থাকে। প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ওড়িশা পুনৰ মিজোৰামৰ সন্মুখীন হ'ব। একেদৰে অসম ব্ৰঞ্জৰ পদকৰ খেলত পুনৰ ত্ৰিপুৰাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০

সমাপ্ত